**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-02-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::::**

০০০০০

১। এডভাণ্টেড আচামৰ দ্বিতীয় সংস্কৰণে জাপান-ছিংগাপুৰত যুৱক-যুৱতীৰ বাবে নিযুক্তিৰ পথ প্ৰশস্ত কৰিব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। আন্তঃগাঁথনি উন্নয়ন আৰু শিক্ষাখণ্ডক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যেৰে ৪ হাজাৰ ৫৮৭ গৰাকী শিক্ষক তথা অধ্যাপকক নিযুক্তি পত্ৰ প্ৰদান।

৩। অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰীকৰণ সন্দৰ্ভত কাইলৈ মুখ্যমন্ত্ৰী আৰু আছুৰ মাজত আলোচনা।

৪। ডিব্ৰুগড় জিলা পুথিভঁড়াল প্ৰেক্ষাগৃহত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস। ***আৰু***

৫। বড়োদৰাত অনুষ্ঠিত মহিলাৰ প্ৰিমিয়াৰ লীগত মুম্বাই ইণ্ডিয়ানছ-দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি সন্দৰ্ভত আজি জনতা ভৱনত আয়োজিত এখন সংবাদমেলত সবিশেষ প্ৰকাশ কৰে। এই সন্মিলনত বৰ্তমানলৈ ৭ হাজাৰৰো অধিক প্ৰতিষ্ঠানে পঞ্জীয়ন কৰাৰ কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে জাপানে অসমত এটা ভাষাকেন্দ্ৰ স্থাপন কৰিব। এই কেন্দ্ৰত ৯ মাহৰ বাবে বিশেষ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হ'ব। প্ৰশিক্ষণ লোৱা লোকসকলে ভাৰতত থকা জাপানৰ প্ৰতিষ্ঠানসমূহত কাম কৰাৰ লগতে ৫০ হাজাৰ যুৱক-যুৱতীয়ে জাপানতো চাকৰি লাভ কৰিব। এই সন্দৰ্ভত অসম চৰকাৰে জাপানৰ সৈতে শীঘ্ৰেই এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব। জাপানৰ লগতে ছিংগাপুৰতো অসমীয়া যুৱক-যুৱতীৰ বাবে নিযুক্তিৰ পথ মুকলি হ'ব বুলি তেওঁ কয়। ৰাজ্যৰ চৰকাৰী নাৰ্চিং মহাবিদ্যালয়সমূহত ছিংগাপুৰে ইংৰাজী বিষয়ক পাঠদান আগবঢ়াবলৈ আগ্ৰহী বুলি সংবাদমেলত মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰে।

**বাইট (চি এম)**

এই সংবাদমেলতে ড° শৰ্মাই এডভাণ্টেজ আছামৰ প্ৰথম সংস্কৰণৰ সফলতাৰ কথা উল্লেখ কৰি কয়, যে এই শীৰ্ষ সন্মিলনৰ জৰিয়তে নতুন উদ্যোগ স্থাপনৰ এটা ধাৰা গঢ়ি উঠাৰ লগতে আন্তঃগাঁথনিৰো যথেষ্ট বিকাশ হৈছিল। দ্বিতীয় সংস্কৰণৰ জৰিয়তে ৰাজ্যখন অধিক উপকৃত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। বৰ্তমানৰ নামৰূপ সাৰ কাৰখানা পৰিসৰতে ১ দশমিক ২ নিযুত মেট্ৰিক টন উৎপাদনক্ষম ইউৰিয়া প্ৰকল্প স্থাপন কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ লগতে নুমলীগড় শোধনাগাৰত বহনক্ষম শক্তিৰ বাবে ইথানললৈ ৰূপান্তৰমূলক এটা প্ৰকল্প স্থাপন কৰা হ'ব বুলিও তেওঁ কয়। ঝুমইৰ বিনন্দিনী অনুষ্ঠানৰ জৰিয়তে চাহ উদ্যোগৰ ইতিহাস উদ্‌যাপন কৰা হ'ব বুলি উল্লেখ কৰি ড° শৰ্মাই কয়, যে এই সন্মিলনত চাহ খণ্ডৰ বিকাশতো বিশেষভাৱে গুৰুত্ব

দিয়া হ'ব। কিয়নো ২০০ বছৰীয়া অসমৰ চাহ উদ্যোগে ৰাজ্যখনৰ ঔদ্যোগিক ইতিহাসৰো স্বাক্ষৰ বহন কৰিছে ড০ শৰ্মাই আজিৰ সংবাদমেলত উল্লেখ কৰে। ঝুমইৰ বিনন্দিনী অনুষ্ঠান উপভোগ কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ২৪ ফেব্ৰুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীলৈ আহিব। তেওঁ ২৪ ফেব্ৰুৱাৰীত এডভাণ্টেজ আছামৰ কাৰ্যসূচীত অংশ ল'ব। সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ উপস্থিত থাকিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ইয়াৰ লগতে এডভাণ্টেজ আছামৰ কাৰ্যসূচীত মুকেশ আম্বানী, গৌতম আদানী, টাটা গ্ৰুপৰ অধ্যক্ষকে ধৰি ৩১ খন দেশৰ ৰাষ্ট্ৰদূত আৰু প্ৰতিনিধিয়ে অংশ ল'ব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীৰ আজিৰ এই সংবাদমেলত মন্ত্ৰী বিমল বৰাও উপস্থিত থাকে।

০০০০০

আন্তঃগাঁথনি উন্নয়ন আৰু শিক্ষক নিযুক্তিৰে ৰাজ্যৰ শিক্ষাখণ্ডক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত চৰকাৰৰ নিযুক্তি সমাৰোহ অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অবিৰত যাত্ৰাৰ অংশ হিচাপে আজি মুঠ ৪ হাজাৰ ৫৮৭ গৰাকী শিক্ষক তথা অধ্যাপকক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। ইয়াৰে উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ৫৮ গৰাকী সহকাৰী অধ্যাপকক আৰু মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ৪ হাজাৰ ৫২৯ গৰাকী ঠিকাভিত্তিক শিক্ষকক স্থায়ী নিযুক্তিপত্ৰ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে ২০১০ চনত ঠিকাভিত্তিত এই সকলক শিক্ষকে নিযুক্তি লাভ কৰিছিল। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই নিযুক্তিপত্ৰসমূহ বিতৰণ কৰি এইদৰে কয়—-

**ৰাইট (চি এম)**

আজিৰ এই সমাৰেশত শিক্ষা মন্ত্ৰী ড০ ৰণোজ পেগুৰ লগতে শিক্ষা বিভাগৰ বহুকেইগৰাকী উচ্চপদস্থ বিষয়াও উপস্থিত থাকে।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিংতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰীকৰণ সন্দৰ্ভত কাইলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। এই বৈঠকত সাংবিধানিক ৰক্ষা কবচ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনৰ ভিত্তিত আলোচনা কৰা হ'ব। কাইলৈ দিছপুৰৰ লোকসেৱা ভৱনত এই আলোচনা অনুষ্ঠিত হ'ব। আলোচনাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্যলৈ ইতিমধ্যে আনুষ্ঠানিক আমন্ত্ৰণপত্ৰ প্ৰেৰণ কৰা হৈছে।

ooooo

আকাশবাণী ডিব্রুগড় কেন্দ্ৰৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি ডিব্রুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। ১৯৬৯ চনৰ আজিৰ দিনটোতেই প্ৰতিষ্ঠা লাভ কৰা এই কেন্দ্ৰটোৱে উজনি অসমৰ ৯ খন জিলা তথা চুবুৰীয়া অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ বৃহৎ সংখ্যক শ্ৰোতাৰ বাবে সেৱা আগবঢ়াই আহিছে। পুৱাৰ ভাগত মহিলা সৱলীকৰণ আৰু সামাজিক স্বাস্থ্যৰ সন্দৰ্ভত এক দিনজোৰা কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনৰ উদ্বোধনী অনুষ্ঠানত আকাশবাণীৰ জ্যেষ্ঠ বিষয়া আশীষ ভাটনাগৰ আৰু দীপক যোশী উপস্থিত থাকে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **মই ৰেডিঅ' কিয় শুনো** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অধ্যাপক, সমাজকৰ্মী, প্ৰাক্তন উগ্ৰপন্থী নেতা আৰু সৰ্বসাধাৰণ ৰাইজে ৰেডিঅ'ৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আৰু আকাশবাণীৰ পৰা তেওঁলোকৰ প্ৰত্যাশা সম্পৰ্কত মন্তব্য আগবঢ়াব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো অনাতাঁৰ মাধ্যম সম্পৰ্কত বিভিন্ন জনৰ মতামত আগবঢ়াব।

ooooo

কোকৰাঝাৰত আজি সদৌ বড়ো ছাত্ৰ সন্থাৰ ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱস কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰা হয়। এবছুৰ সভাপতি দীপেন বড়োৱে পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰে আৰু কয়, যে ১৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰত হ'বলগীয়া অসম বিধান সভাৰ অধিবেশনে বিটিআৰক অধিক ক্ষমতাশালী কৰিব। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰীৰ সভাপতিত্বত এখন মুকলি আলোচনাচক্ৰ অনুষ্ঠিত হয়। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত বড়োসাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰী, লোকসভাৰ সাংসদ জয়ন্ত বসুমতাৰী, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডং সমুদ্ৰ গুপ্ত কাশ্যপৰ লগতে বহু বিশিষ্ট ব্যক্তি আৰু কোকৰাঝাৰৰ বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

ooooo

অসম চৰকাৰৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উদ্যোগত ধুবুৰী জিলাৰ আগমনিত আজি লোক কৃষ্টি সংঘ গৌৰীপুৰৰ নাট্যগোষ্ঠীয়ে বাটৰ নাট প্ৰদৰ্শন কৰে। বানপানী তথা আন প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ল'বলগীয়া সাৱধানতা আৰু পৰিস্থিতিৰ মুখামুখি হ'ব পৰাকৈ সজাগতা সৃষ্টিৰ উদ্দেশ্যে বাটৰ নাট প্ৰদৰ্শন কৰা হয়। দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই বাটৰ নাট প্ৰদৰ্শন অনুষ্ঠানত এই ভ্ৰাম্যমান দলটোৱে মুঠ ১০ খন নাট পৰিৱেশন কৰিব। গোলকগঞ্জ সম-জিলাৰ আয়ুক্ত জগদীশ ব্ৰহ্মাই পতাকা জোকাৰি বাটৰ নাট কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পূৰ্বে অনুষ্ঠিত সজাগতা সভাখনত সম-জিলা আয়ুক্ত উপস্থিত থকাৰ লগতে আগমনি চক্ৰ বিষয়া হৰেকৃষ্ণ ডেকা, আগমনি সংহত শিশু প্ৰকল্প উন্নয়ন বিষয়া পূৰ্ণিমা দাস আৰু ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

বৰপেটাৰ বাটগাঁৱত জিলাখনৰ তাৰাবাৰী আৰক্ষীয়ে আজি বুজন পৰিমাণৰ নিচাযুক্ত টেবলেট আৰু কফ ছিৰাপৰ বটল জব্দ কৰে। ইয়াৰ লগতে আৰক্ষীয়ে প্ৰসেনজিৎ দাস নামৰ এজন ড্ৰাগছ্‌ ব্যৱসায়ীকো গ্ৰেপ্তাৰ কৰে। তাৰাবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃণাল শৰ্মাৰ নেতৃত্বত চলোৱা অভিযানত প্ৰায় ২৯ হাজাৰ ট্ৰেমাড'ল হাইড্ৰ'ক্লৰিক টেবলেট, ৬০০ নাইট্ৰাজিপাম টেবলেট আৰু ১২০ বটল ক'ডিন ফছ্‌ফেট জব্দ কৰা হয়। ইয়াৰ উপৰি নগদ ৬৮ হাজাৰ ৫৭০ টকা আৰু এটা মোবাইল ফোনৰ লগতে ড্ৰাগছ্‌ ব্যৱসায়ত ব্যৱহাৰ কৰা এখন চাৰিচকীয়া বাহনো আৰক্ষীয়ে জব্দ কৰে। ধৃত প্ৰসেনজিৎ দাস পূৰ্বৰে পৰাই অবৈধ ড্ৰাগছ্‌ ব্যৱসায়ৰ সৈতে জড়িত বুলি আৰক্ষীয়ে প্ৰকাশ কৰে।

ooooo

ধুবুৰী জিলা আৰক্ষী অধীক্ষক নবীন সিঙে বিলাসীপাৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া টুগুল বড়োক শাস্তিমূলক বদলিৰ নিৰ্দেশ দিয়ে। বৃহস্পতিবাৰে বালি কঢ়িওৱা ডাম্পাৰ চালক এজনক আটক কৰি মুকলি কৰি দিয়াৰ নামত আৰক্ষী বিষয়াগৰাকীয়ে ডাম্পাৰ চালকজনৰ পৰা ৩০ হাজাৰ টকা উৎকোচ লোৱা সন্দৰ্ভত চালকজনে আৰক্ষী অধীক্ষকৰ ওচৰত এটা গোচৰ ৰুজু কৰিছিল। সমগ্ৰ ঘটনা সামাজিক মাধ্যমত বিয়পি পৰাত আৰক্ষী অধীক্ষকে তাৎক্ষণিকভাৱে বদলিৰ এই নিৰ্দেশ দিয়ে।

ooooo

কামৰূপ জিলাৰ গাছবাৰী হাইস্কুল প্ৰধান শিক্ষক অশোক চৌধুৰীক চাকৰিৰ পৰা নিলম্বন কৰা হৈছে। আজি অনুষ্ঠিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰশ্নকাকত পলমকৈ পৰীক্ষাকেন্দ্ৰলৈ নিয়াৰ অভিযোগত প্ৰধান শিক্ষকগৰাকীক নিলম্বন কৰা হয়। প্ৰশ্নকাকত পলমকৈ লৈ যোৱাক কেন্দ্ৰ কৰি পৰীক্ষাকেন্দ্ৰটোত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল। এই ঘটনাৰ পিছতেই মাধ্যমিক শিক্ষা সঞ্চালকে চৌধুৰীক নিলম্বন কৰে।

ooooo

কৃষিমন্ত্ৰী অতুল বৰাই আজি কামৰূপ জিলাৰ মিৰ্জাত কৃষকসকলৰ মাজত **মোৰ পলিচি মোৰ হাতত** ব্যৱস্থাৰ অধীনত আনুষ্ঠানিকভাৱে কৃষকৰ মাজত পলিচি বিতৰণ কৰে। এই ব্যৱস্থাৰ জৰিয়তে কৃষকসকলে পলিচিখনত উল্লেখ থকা প্ৰিমিয়াম আদি বিভিন্ন তথ্য হাততে লাভ কৰিব। উল্লেখযোগ্য যে প্ৰাকৃতিক দুৰ্যোগত কৃষকসকলক সকাহ দিয়াৰ লগতে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কৃষিমন্ত্ৰীগৰাকীয়ে কয়, যে ২০২৩ চনৰ খাৰিফ বতৰৰ তুলনাত ২০২৪ চনৰ খাৰিফ বতৰত শস্যৰ বীমা কৰা কৃষকৰ সংখ্যা ৮৩ শতাংশ বৃদ্ধি পাইছে। ফচল বীমা যোজনাখন সফলভাৱে ৰূপায়ণ কৰিবলৈ তেওঁ অনুষ্ঠানত কৃষি বিভাগৰ বিষয়া তথা বীমা কোম্পানীৰ সংশ্লিষ্টসকলক যাৱতীয় কাৰ্য সম্পাদন কৰিবলৈ আহ্বান জনায়।

ooooo

বান আৰু খহনীয়া সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি আহিছে। মন্ত্ৰী পীযূষ হাজৰিকাই আজি গুৱাহাটীৰ বশিষ্ঠৰ অসম জল ভৱনত বান আৰু নদী খহনীয়া ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধীনত বিভিন্ন শিতানত চলি থকা আৰু অনাগত দিনত সম্পন্ন হ'বলগীয়া কামসমূহৰ বিষয়ে পৰ্যালোচনা কৰে। অনাগত দিনত ৰাজ্যখনৰ বিভিন্ন জিলাত ব্ৰহ্মপুত্ৰ আৰু উপনৈসমূহৰ স্পৰ্শকাতৰ অঞ্চলসমূহৰ খহনীয়া প্ৰতিৰোধী কাম

কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। প্ৰায় ৩৬টা বিভিন্ন আঁচনিৰ অধীনত মুঠ ২৪৫ কিলোমিটাৰ মথাউৰিৰ কাম বাৰিষাৰ পূৰ্বে সম্পন্ন কৰাৰ লক্ষ্যৰে এই বৈঠক অনুষ্ঠিত হয়। প্ৰতিৰোধী কামৰ বাবে পৰ্যাপ্ত পৰিমাণে জিঅ' বেগ, পাৰ্কুপাইন আদি প্ৰয়োজনীয় সামগ্ৰীৰ যোগান আৰু নিৰ্ধাৰিত সময়ৰ কাম সমাপন কৰাকে ধৰি বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হয়। আঁচনিসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰী ধনৰ অপব্যয় নকৰিবলৈও সংশ্লিষ্ট বিষয়াসকলক আহ্বান জনায়।

ooooo

কাৰ্বি আংলং জিলা প্ৰশাসনৰ তৰফৰ পৰা আজি জিলাখনৰ নিৰ্বাচিত আত্মসহায়ক গোটক অসম লঘু উন্নয়ন বোৰ্ডৰ অধীনত দুটা স্বয়ংক্ৰিয় পেপাৰ প্লেট তৈয়াৰ কৰা মেচিন বিতৰণ কৰা হয়। এই উপলক্ষে ডিফুৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মিলন কক্ষত আয়োজন কৰা এখন সভাত জিলা আয়ুক্ত নিৰলা ফাংছ'পিয়ে নিৰ্বাচিত আত্মসহায়ক গোটৰ প্ৰতিনিধিসকলৰ মাজত এই পেপাৰ প্লেট তৈয়াৰ কৰা মেচিন বিতৰণ কৰে। আয়ুক্তগৰাকীয়ে হিতাধিকাৰী আত্মসহায়ক গোটৰ প্ৰতিনিধিসকলক মেচিনৰ সৎ ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত জিলাখনৰ অতিৰিক্ত আয়ুক্তও উপস্থিত থাকে।

ooooo

গোৱালপাৰা জিলাৰ অসম-মেঘালয় সীমান্তৰ বৰঝৰাৰ বৰজং বিল পৰিচালনা সমিতিয়ে আয়োজন কৰা বাহো উৎসৱত বহুলোকে সমূহীয়া মৎস চিকাৰত ভাগ লয়। বৰজং বিলৰ নান্দনিক পৰিৱেশত অঞ্চলটোৰ বহু হাজাৰ লোকে সমূহীয়া মৎস চিকাৰত ভাগ লয়। বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত ভাতৃত্ববোধ অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে বৰজং বিল উন্নয়ন সমিতিয়ে বিগত ৮ বছৰে এই মৎস্য চিকাৰৰ আয়োজন কৰি আহিছে। বাৰিষাৰ পূৰ্বে বিলত অনুষ্ঠিত সমূহীয়া মাছধৰা পৰ্বত গোৱালপাৰা জিলাৰ লগতে চুবুৰীয়া ৰাজ্য মেঘালয়ৰ পৰাও বহুলোকে অংশগ্ৰহণ কৰে।

ooooo

বড়োদৰাৰ কোটাম্বি ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ প্ৰিমিয়াৰ লীগত আজি মুম্বাই ইণ্ডিয়ানছে দেলহী কেপিটেলছৰ বিৰুদ্ধে খেলিব। খেলখন কোটাম্বি ষ্টেডিয়ামতে সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত